# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## সোমবাৰ, ২৮ ডিচেম্বৰ, ২০২০

**গৃহ, ৰাজনৈতিক, কৰ্মচাৰী, সাধাৰণ প্ৰশাসন, সচিবালয় প্ৰশাসন, অসম চুক্তি ৰূপায়ণ, প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ, নিৰ্বাচন, তথ্য আৰু জনসংযোগ,সীমান্ত অঞ্চল উন্নয়ন, ক্ৰীড়া আৰু যুৱ কল্যাণ, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা, পৰ্য্যটন, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ, জলসিঞ্চন (স্বতন্ত্ৰ দায়িত্ব) আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত বিশেষ ভাৱে ন্যস্ত নকৰা আন যিকোনো বিভাগ সমূহ।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **আৰক্ষী থানা নিৰ্মাণ সম্পৰ্কে।**

শ্ৰীৰফিকুল ইছলাম ঃ

*১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন আৰক্ষী থানা সমূহ আৰু আৰক্ষীৰ আবাস সমূহৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাত নে ? যদি জ্ঞাত, এইবোৰ নতুনকৈ নিৰ্মাণৰ বাবে চৰকাৰে কি পৰিকল্পনা হাতত লৈছে সদনত জনাব।

(খ) SI কেলেংকাৰীত কিমানজন মানুহ জড়িত ? তাৰে কিমানজন গ্ৰেপ্তাৰ হৈছে ? নাম ঠিকনা সহ জনাব। উক্ত কেলেংকাৰীৰ তদন্ত কি পৰ্য্যায়ত আছে, জনাব।

(গ) অসমৰ আৰক্ষী থানা আৰু আৰক্ষী চকীবোৰত কিমান সংখ্যক পদ খালী আছে ? জিলা ভিত্তিত তালিকাসহ জনাব।

(ঘ) জনীয়া সমষ্টিৰ অন্তৰ্গত জনীয়া আৰু গুগুবাৰি (খৰিচালা)ত দুখন আৰক্ষী চকীৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

*Sub :* **Landless People and Goalpara District. Land Advisory Committee.**

**Shri Abdur Rashid Mandal :**

*2. Will the Minister of Revenue and Disaster Management, Assam etc. be pleased to state :

(a) Will the Govt. furnish the numbers of landless people in Assam ? Please furnish Revenue Circle area wise, number of landless families.

(b) How many landless families in Assam are allotted land during the tenure of the present Government since 2016/17 to 2020/21 ? Please furnish Revenue Circle wise number of such families and total area of land so far allotted during the period.

(c) Please furnish Revenue Circle wise list of landless families in Goalpara District to whom the Govt. has allotted

land with areas of land allotted to each families during the period.

(d) Will the Govt. furnish the Minutes of the District Land Advisory Committee Meeting of Goalpara District held on 03-11-2006 at 11:30 AM in the conference Hall of the Deputy Commissioner, Goalpara along with the action taken reports on the resolutions approved at **(5) (r)** about the allotment or settlement of land to individual and **(6)** about allotment of land to Char area. (Please furnish the names and address of the allottees if action is taken as per above two (2) resolutions)

*বিষয় ঃ* **ডুমডুমাত সঘনাই চোৰ, ডকাইত ।**

শ্ৰীদুৰ্গা ভূমিজ ঃ

*৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আজি কিছুদিন পূৰ্বৰ পৰা ডুমডুমা থানা আৰু বাঘজান থানাৰ অন্তৰ্গত বিভিন্ন ঠাইত সঘনাই চোৰ, ডকাইত আৰু হত্যা-লুটপাত হৈ থকাটো চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, তেন্তে আজিলৈকে এজনো চোৰ, ডকাইত গ্ৰেপ্তাৰ কৰিব নোৱাৰাটোত কি ৰহস্য আছে জনাবনে ?

(গ) ডুমডুমা থানা আৰু বাঘজান থানাৰ নিষ্ক্ৰীয় OC দুজনৰ ওপৰত কিয় বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই জনাবনে ?

*বিষয় ঃ* **মৰাভৰলীৰ সুৰক্ষা ।**

শ্ৰীবৃন্দাবন গোস্বামী ঃ

*৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰৰ মৰাভৰলীৰ ভূমি বে-দখল সম্পৰ্কত চৰকাৰ অৱগতনে ?

(খ) মৰাভৰলী 'খেতিয়কৰ' অথবা 'বালি মাটিৰ' মহল ৰূপে ব্যৱহাৰ কৰিছে, এই বিষয়ে ৰাজহ বিভাগে কি ব্যৱস্থা লৈছে ?

(গ) মৰাভৰলীৰ ভূমি সম্পৰ্কত কৃষি বিভাগে আৰু 'বন বিভাগে' লিখিত অভিযোগ দিছেনে ? বিভাগে কি ব্যৱস্থা লৈছে ?

*বিষয় ঃ* **প্ৰাকৃতিক দুৰ্যোগৰ ক্ষয়ক্ষতি সম্পৰ্কে ।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

*৫। মাননীয় ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমৰ লগতে অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিত বিভিন্ন সময়ত ঘৰত জুই লাগি সৰ্বস্বান্ত হোৱা, ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা, বানপানীত ক্ষতিগ্ৰস্ত হোৱা, গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোক সকলৰ আৰ্থিক সাহায্যৰ বাবে কিবা ব্যৱস্থা আছে নেকি ?

(খ) যদি আছে, অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ জুই লাগি ঘৰ বিনষ্ট হোৱা, ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা লোকসকলে উপায়ুক্ত বঙাইগাঁওলৈ আবেদন কৰিছিল । এওঁলোকৰ অতি সোনকালে আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰিব নেকি ?

*Sub :* **Adhar Card.**

**Shri Sherman Ali Ahmed :**

*6. Will the Chief Minister / Minister of GAD etc. be pleased to state :

(a) What is the progress of Adhar enrolment in Assam so far ? Please furnish District-wise details.

(b) Which are the agencies empanelled in different Districts of Assam ? Please furnish bid-details including work-components and bid value.

(c) Is it true that Galaxy Scales & Systems Pvt. Ltd. engaged in Barpeta District is extracting huge amount of money as bribe from the supervisors and consequently, the supervisors are taking

bribe from the people ? If yes, would the Govt. be pleased to dis-engage the agency immediately ?

(d) How many Adhar centres are opened so far in Baghbar LAC ? Who are the supervisors engaged in these centres and what are their progress ?

(e) By which date Adhar enrolment in Assam shall be completed ?

(f) In view of poor enrolment in Baghbar LAC, specially in Char areas, would the Govt. be pleased to carry out special drive for Adhar Enrolment ? (Please furnish the relevant guidelines/ Acts/Rules)

*বিষয় ঃ* **ৰাজহ সংগ্ৰহ ।**

শ্ৰীমামুন ইমদাদুল হক চৌধুৰী ঃ

*৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২০-২১ বিত্তীয় বৰ্ষলৈ এতিয়ালৈকে কি কি শিতানত মুঠ কিমান টকা ৰাজহ সংগ্ৰহ হৈছে ? সবিশেষ জনাব ।

*Sub :* **Flood damage repair.**

**Dr. Motiur Rohman Mondal :**

*8. Will the Minister of Revenue & Disaster Management be pleased to state :

(a) Is the Govt. aware that the recurrent Floods in the recent past in 2020 wrought havocs to about 500 (five hundred) families in the villages of Borair, Alga G.P., Sukchar G.P., Molakhuwa G.P. and South Salmara ZPC areas in South Salmara Mankachar District ?

(b) Will the Govt. take necessary steps and settle these helpless and homeless people on Khash land or Govt. land at the earliest ?

*বিষয় ঃ* **বানপানী-ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়াল ।**

শ্ৰী[illegible] কুমাৰ শইকীয়া ঃ

*৯। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইবছৰ আৰু যোৱাবছৰ (২০২০ আৰু ২০১৯) হোৱা প্ৰলয়ংকাৰী বানপানীৰ লগতে ধুমুহাত দৰং জিলাৰ কিমান সংখ্যক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে জনাবনে ?

(খ) ইয়াৰে কিমান সংখ্যকক সাহায্য প্ৰদান কৰা হ'ল ? কি কি সাহায্য প্ৰদান কৰা হ'ল সদনৰ মেজত দৰং জিলাৰ সমষ্টি ভিত্তিক তালিকা দাখিল কৰিব ।

*বিষয় ঃ* **এচ আই কেলেংকাৰী ।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

*১০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এচ আই কেলেংকাৰী সন্দৰ্ভত কিমানজন মানুহক আটক কৰা হৈছে ? (নাম-ঠিকনাসহ বিতং তথ্য দিব)

(খ) কোন কোন ব্যক্তিক এচ আই কেলেংকাৰীৰ তদন্তৰ আওতাত আনি সোধ-পোচ কৰা হৈছে ? (নাম-ঠিকনাসহ বিতং তথ্য দিব)

(গ) এই কেলেংকাৰীৰ মূল অভিযুক্ত কোন কোন ?

(ঘ) এচ আই কেলেংকাৰীৰ তদন্ত কি পৰ্যায়ত আছে ? (সবিশেষ জনাব)

*বিষয় ঃ* **মাটিৰ খাজনা ।**

মোঃ নুৰুল হুদা ঃ

*১১। মাননীয় ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৫-১৬ বিত্তীয় বৰ্ষত, তলত উল্লেখ কৰা শ্ৰেণীৰ প্ৰতিবিঘা মাটিৰ খাজনা কিমান টকাকৈ আছিল ?

(১) শালি তলি (২) ফৰিং তলি (৩) বাৰী মাটি (৪) উদ্যোগীক মাটি

(খ) ২০২০-২১ বিত্তীয় বৰ্ষত উক্ত শ্ৰেণীৰ মাটি সমূহৰ বিঘাই প্ৰতি খাজনা কিমান ? গ্ৰাম্যাঞ্চল আৰু নগৰ অঞ্চলত খাজনাৰ নিৰিখ পৃথক পৃথককৈ তথ্য সহকাৰে সদনত দাখিল কৰিব।

*বিষয় ঃ* **বিদেশী ন্যায়াধীকৰণ ।**

শ্ৰীআমিনুল ইছলাম ঃ

*১২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানখন বিদেশী ন্যায়াধীকৰণ কাৰ্য্যক্ষম হৈ আছে ?

(খ) কোন কোন বিদেশী ন্যায়াধীকৰণত এতিয়ালৈকে কিমান বিদেশীৰ গোচৰ পঞ্জীয়নভুক্ত হৈছে? তাৰ ভিতৰত কিমান গোচৰৰ ৰায়দান হ'ল ? ৰায়দান হোৱা গোচৰৰ ভিতৰত কিমান লোক ভাৰতীয় আৰু কিমান লোক বিদেশী বুলি চিহ্নিত হৈছে ?

(গ) বিদেশী ঘোষিত লোক সকলৰ ভিতৰত কিমান গোচৰ একপক্ষীয় (Ex Parte) আৰু কিমান গোচৰ On contract হৈছিল ?

(ঘ) বিদেশী ঘোষিত লোক সকলৰ ভিতৰত কোন দেশৰ নাগৰিক কিমান আছে ? তেওঁলোক সংশ্লিষ্ট বিদেশী ৰাষ্ট্ৰখনৰ নাগৰিক বুলি কেনেকৈ প্ৰমাণ কৰা হ'ল ? (তালিকা দিব)

(ঙ) বিদেশী ঘোষিত কিমান লোকক এতিয়ালৈকে কি পদ্ধতিৰে বহিস্কাৰ কৰা হ'ল ? বাকী লোক সকলক বহিস্কাৰ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

*বিষয় ঃ* **অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কত ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

*১৩। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ছয় জনগোষ্ঠী, যেনে ঃ- আহোম, মৰাণ, মটক, চুতীয়া, কোঁচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণ কৰা সম্পৰ্কত ৰাজ্য চৰকাৰে কি ব্যৱস্থা এতিয়ালৈকে গ্ৰহণ কৰিছে ?

(খ) এই সম্পৰ্কত ৰাজ্য চৰকাৰে গঠন কৰি দিয়া কেবিনেট উপ-সমিতিয়ে প্ৰতিবেদন প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিলে নে ?

(গ) ভাৰতবৰ্ষত মহাপঞ্জীয়কৰ লগতে কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কত কি সিদ্ধান্ত গ্ৰহণ কৰিলে ?

(ঘ) এই সম্পৰ্কত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ কি পৰামৰ্শ আগবঢ়ালে, জনাবনে ? (এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা চিঠি-পত্ৰ সমূহ সদনৰ মজিয়াত দাখিল কৰিব)

(ঙ) কলিতা জনগোষ্ঠীক জনজাতিকৰণ সম্পৰ্কত বৰ্তমানলৈকে কি ব্যৱস্থা গ্ৰহণ কৰিলে জনাবনে ?

*বিষয় ঃ* **ৰাজ্যে সড়ক দুৰ্ঘটনায় মৃত্যু ।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*১৪। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বিগত এক বছরে রাজ্যে সর্বমুঠ কতজন সড়ক দুর্ঘটনায় মারা গেছেন ? নাম, দুর্ঘটনার স্থান এবং দিন তারিখ সহ বিস্তারিত প্রতিবেদন সদনে উপস্থাপন করার অনুরোধ জানাই।

(খ) বিগত এক বছরে বরাক উপত্যকায় কোন কোন স্থানে কোন কোন দিনে কতজন নাগরিক কি ভাবে সড়ক দুর্ঘটনায় মারা গেছেন তার বিস্তারিত প্রতিবেদন উপস্থাপন করার অনুরোধ জানাই।

(গ) অতি সম্প্রতি ২ ডিসেম্বর ২০২০ তারিখে কাছাড়ের কালাইন অঞ্চলের জাতীয় সড়কে সড়ক দুর্ঘটনায় যে পাঁচজন ছাত্রের মর্মান্তিক মৃত্যু হয়েছে এই ব্যাপারে সরকার অবগত কি ? এই সড়ক দুর্ঘটনার মূল কারণ কি ? এই দুর্ঘটনায় নবীন চন্দ্র কলেজের যে ৫ জন ছাত্র মারা গেছে তাদের পরিবারের প্রতি আর্থিক সাহাযোর কোন সিদ্ধান্ত সরকারের পক্ষ থেকে নেওয়া হয়েছে কি ? যদি হয়ে থাকে তবে তা বিস্তারিত জানাবেন।

(ঘ) এধরনের সড়ক দুর্ঘটনায় মৃত্যুর ক্ষেত্রে পরিবারের লোকজনদের আর্থিক সহায়তার ক্ষেত্রে রাজ্য সরকারের নির্দ্দিষ্ট কোন আইন বা নিয়ম রয়েছে কি, যদি থাকে তবে তা সদনে

জানালে বাধিত হ'ব ?

(ঙ) এধরনের সড়ক দুর্ঘটনা প্রতিহিত করতে সরকারের তরফ থেকে কি কোনো নির্দ্দিষ্ট পদক্ষেপ নেওয়া হচ্ছে ?

*বিষয় ঃ* **বানপানীৰ ক্ষতিপূৰণ সম্পৰ্কে ।**

শ্ৰীৰফিকুল ইছলাম ঃ

*১৫। মাননীয় ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৯-২০ বৰ্ষত হৈ যোৱা বানপানীত অসমৰ কিমান হেক্টৰ কৃষি বিনষ্ট হৈছে ? কৃষক সকলে বিনষ্ট হোৱা খেতি-বাতিৰ ক্ষতিপূৰণ পাইছেনে ?

(খ) উক্ত বানপানীত কিমানজন মানুহ আৰু পশুধন মৃত্যু মুখত পৰে আৰু তাৰ বিপৰীতে কিমান টকা চৰকাৰে আদায় দিলে তালিকা সহ জিলা ভিত্তিত জনাব ।

(গ) যোৱা বানপানীত ক্ষতিগ্ৰস্ত সকলক সকাহ দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা আবণ্টন দিয়া হয় আৰু সেই টকা ক'ত ক'ত খৰচ কৰা হয় সদনক জনাব ।

*Sub :* **SDRF Work.**

**Shri Abdur Rashid Mandal :**

*16. Will the Minister of Revenue and Disaster Management be pleased to state :

(a) What amount of fund was sanctioned, released and utilized under SDRF for the work related to PWD (Road) and Water Resources Deptt. during 2016-17 to 2020/21. Please furnish separately department wise, year wise and District-wise in details ?

(b) What schemes were recommended by the Goalpara District Disaster management Authority to the State Disaster Management Authority during the above period for the work related to PWD (Road) and Water Resources Deptt. for approval under SDRF ? Please furnish in details.

(c) Please furnish the list of work approved with amount sanctioned, amount released and amount utilized, progress of work for the work of PWD (Road) and Water Resources Deptt. in Goalpara District under SDRF during the above period.

*বিষয় ঃ* **তেজপুৰ যুৱ নিবাস ।**

শ্ৰীবৃন্দাবন গোস্বামী ঃ

*১৭। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰৰ হজবাপাৰত থকা যুৱ নিবাসটোৰ পৰিচালনাৰ দায়িত্ব কাৰ হাতত ন্যস্ত কৰা আছে ?

(খ) যুৱ নিবাসটো বৰ্তমান কি কামত ব্যৱহাৰ কৰা হৈছে ?

(গ) ৰাজ্যিক চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ গৃহবোৰ মেৰামতিৰ অভাৱত শোচনীয় অৱস্থা হৈছে । এই সম্পৰ্কত ব্যৱস্থা ল'বনে ?

(ঘ) খেলুৱৈ সকলৰ সুবিধাৰ বাবে যুৱ নিবাসটো মুকলি কৰি দিবনে ?

*বিষয় ঃ* **অগ্নি আৰু আপাদকালিন কেন্দ্ৰ ।**

মোঃ নুৰুল হুদা ঃ

*১৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ অন্যতম ব্যৱসায়ীক আৰু উদ্যোগিক কেন্দ্ৰস্থল ৰূপহী অঞ্চলত সঘনাই অগ্নিসংযোগৰ ফলত বছৰি লাখ লাখ টকাৰ সম্পত্তি ধ্বংস হোৱা বিষয়ে চৰকাৰ অৱগতনে ?

(খ) অগ্নিনিৰ্বাপণ আস্থান স্থাপনৰ দাবীৰ পৰিপ্ৰেক্ষিতত চৰকাৰে অগ্নি আৰু আপাদকালিন সেৱাকেন্দ্ৰ স্থাপনৰ প্ৰতিশ্ৰুতি দিছিল, সেই প্ৰতিশ্ৰুতি

কাৰ্য্যক্ষম হৈছেনে ? যদি হৈছে, কিমান দিনৰ ভিতৰত এই আস্থান স্থাপন হ'ব, তথ্য সহকাৰে সদনত জনাব।

*বিষয় ঃ* **ভাষা শহিদ ষ্টেশন ও অন্যান্য ।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

*১৯। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) শিলচর রেলওয়ে ষ্টেশনের নামকরণ ভাষা শহিদ ষ্টেশন করার অভিপ্রায় রাজ্য সরকারের রয়েছে কি ? যদি থাকে, তবে রাজ্য সরকার এই ব্যাপারে এন ও সি দিচ্ছে না কেন ?

(খ) গত ৩১-০৮-২০২০ তারিখে রাজ্য বিধান সভায় ১১ নম্বর তারাচিহ্নিত প্রশ্নের উত্তরে সরকার বলেছিলেন যে ব্যাপারটি স্থগিত রাখা হয়েছে। এই অনুমোদন কত দিন স্থগিত থাকবে ? কবে এই অনুমোদন দেওয়া হবে ?

(গ) গত ২৬-০৩-২০১৮ তারিখে রাজ্য বিধান সভায় ৭৩৫ নম্বর তারাবিহীন প্রশ্নের উত্তরে সরকার বলেছিলেন যে বরাকের ভাষা শহিদদের পরিবারের তথ্য সরকার সংগ্রহ করছে। এই তথ্য সংগ্রহের কাজ শেষ হয়েছে কি ? যদি হয়ে থাকে, তবে সেই তালিকা সদনে দেওয়ার অনুরোধ করছি। কবে এই ব্যাপারে সরকার সদর্থক পদক্ষেপ নেবে ? যদি না হয়ে থাকে, তবে কি কারণে তা হয়নি সদনে জানানোর বিনতি করছি।

(ঘ) গত ৩১-০৮-২০২০ তারিখে রাজ্য বিধান সভায় ১১ নম্বর তারাচিহ্নিত প্রশ্নের উত্তরে সরকার বলেছিলেন যে বরাক উপত্যকার শহিদ স্মারকের জন্য জমি আবণ্টনের প্রক্রিয়া চলছে। এই প্রক্রিয়া শেষ হয়েছে কি ? কবে এই স্মারকের উন্মোচন হবে ?

(ঙ) করিমগঞ্জ শহরের প্রায় ৪ কিঃ মিঃ ইন্দো-বাংলা সীমানায় যে কাটাতার বিছানো হয়নি তা সরকার অবগত কি ? এই কাটাতার বিছানো না হওয়ার জন্য যে সেই অঞ্চলের নাগরিকদের দুর্ভোগ পোহাতে হচ্ছে এতে সরকার অবগত কি ? যদি অবগত থাকেন, তবে কবে এর বিহিত ব্যবস্থা গ্রহণ করা হবে ?

*Sub :* **'D' Voters.**

**Shri Abdur Rashid Mandal :**

*20. Will the Minister of Home, Assam be pleased to state :

(a) District-wise numbers of **'D'** Voters in Assam as on 01-12-2020 ?

(b) District-wise Nos. of **'D'** Voters declared foreigners and Indians by the Foreigners Tribunals till 01-12-2020.

(c) District-wise Nos. of **'D'** Voters declared Foreigners by the Foreigners Tribunals are deported and detained in the Detention Camps. Name of the Detention Camps and Nos. of declared Foreigners be furnished separately.

(d) Who are competent to mark a voter as **'D' Voter** ?

(e) What procedure is to be followed before marking a voter as a **'D'** ?

(f) Is there any provision to punish the officer concerned for wrongly marking **'D'** voter against a genuine Indian Citizen ?

---

AGP (Mini) 103/20-L.A.Q.-750-17-12-20.